**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-JUNE-2026
**Time :** 1715  HRS

***Assamese Evening Bulletin***
***Headlines***

——————————————

০০০০০০

১। আজি বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস। ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন কাৰ্যসূচীৰে দিৱস উদযাপন।

২। গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে আমিনগাঁৱৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰ্যালোচনা সভা।

৩। অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছত মন্ত্ৰীসকলৰ বিভিন্ন জিলাৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান।

আৰু

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি কানাডা-বছনিয়াৰ মুখামুখি।

০০০০০০

আজি বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস। শিশুসকলক শ্ৰমিক হিচাপে ব্যৱহাৰ কৰা কাৰ্যৰ পৰা বিৰত ৰাখিবলৈ জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাই ২০০২ চনৰ পৰা এই দিৱসৰ ঘোষণা কৰে। তেতিয়াৰে পৰা প্ৰতি বছৰে আজিৰ দিনটো বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। অসমতো বিভিন্ন ঠাইত আজি বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়।

বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস উপলক্ষে গুৱাহাটী মহানগৰৰ আৰক্ষী আয়ুক্ত ড০ পাৰ্থ সাৰথি মহন্তই এইদৰে কয় -

বাইট

০০০০০০

শ্ৰীভূমি জিলাতো বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস পালন কৰা হয়। এই উপলক্ষে শ্ৰম বিভাগৰ ফালৰ পৰা শ্ৰীভূমি চহৰত শিশু শ্ৰম বিৰোধী সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাইকযোগে ব্যাপক প্ৰচাৰ অভিযান চলোৱা হয়। শ্ৰম বিভাগ আৰু শিশু কল্যাণৰ ক্ষেত্ৰত কাম কৰা স্বেচ্ছাসেৱী সংস্থা উডিচিৰ সহযোগিতাত শ্ৰীভূমি চহৰৰ বিভিন্ন স্থানত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্বেছাসেৱী সংস্থাটোৱে এটা বিবৃতিত প্ৰকাশ কৰে যে ৰাজ্যত শিশু শ্ৰমিক সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিছাসমূহৰ পৰা আৰম্ভ কৰি নগৰৰ ব্যস্ত ধাবা, গেৰেজ আৰু গৃহস্থালীৰ কামলৈকে সকলো ঠাইতে শিশু শ্ৰমিক দেখা পোৱা যায়। দাৰিদ্ৰ, বানপানী আৰু সুযোগৰ অভাৱৰ বাবে বহু শিশু শ্ৰমিক হিচাপে দায়িত্ব পালন কৰিবলগীয়া হৈছে, যাৰ বাবে তেওঁলোকৰ শিক্ষা আৰু সুৰক্ষিত শৈশৱৰ মৌলিক অধিকাৰ লংঘন হৈছে। শিশু শ্ৰমৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গঢ়ি তোলাৰ

বাবেও সংস্থাটোৱে বিবৃতিত প্ৰকাশ কৰে। কোনো শিশু বিপজ্জনক বা অবৈধ পৰিস্থিতিত কাম কৰাৰ খবৰ লাভ কৰিলে, ৰাষ্ট্ৰীয় সহায়ক নম্বৰ ১০৯৮ অথবা অনলাইন পেন্সিল পোৰ্টেলত অভিযোগ জনাবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি আমিনগাওঁৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব এল এছ্ চামচনে সভাপতিত্ব কৰা সভাত ভূ-অভিলেখ আৰু জৰীপৰ সঞ্চালক কৈলাশ কাৰ্তিক এন উপস্থিত থাকে। সভাত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, দৰং জিলাৰ জিলা আয়ুক্ত আয়ুষী জৈন আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ প্ৰতিনিধিসকলে প্ৰকল্পটোৰ বৰ্তমানৰ অগ্ৰগতি আৰু সময়মতে ৰূপায়ণ কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে সভাত অৱগত কৰায়।

০০০০০০

ৰাজ্য চৰকাৰৰ নতুন মন্ত্ৰীসকলে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছতে তেওঁলোকে সেই জিলাসমূহ ভ্ৰমণ কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। মন্ত্ৰীসকলে জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সু-শাসন আৰু সমৃদ্ধিৰ দিশত চৰকাৰৰ যাত্ৰাক গতিশীল কৰাৰ চেষ্টা চলায়। ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত জনকল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ, আন্তঃগাঁথনি উন্নয়ন, প্ৰশাসনিক দক্ষতা তথা জিলাখনৰ সামগ্ৰিক অগ্ৰগতিৰ দিশসমূহ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ সমস্যাসমূহ শীঘ্ৰেই সমাধানৰ বাবে সকলো বিভাগে সমন্বিত প্ৰচেষ্টাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে।

০০০০০০

গুৱাহাটী মহানগৰীৰ যানবাহন আৰক্ষীয়ে যান-বাহনৰ সকলো নীতি-নিয়ম মানি চলিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনাইছে। ৰাজিক সজাগ কৰাৰ উদ্দেশ্যে আজি পানবজাৰত আয়োজিত এখন সংবাদ মেলত উপ-আৰক্ষী আয়ুযক্ত জয়ন্ত সাৰথি বৰাই কয় যে অসম আৰক্ষী বা গুৱাহাটীৰ যান-বাহন আৰক্ষী ৰাজহ সংগ্ৰহকাৰী বিভাগ নহয়, ৰাইজক সজাগ কৰাৰ বাবেহে যান-বাহন উলংঘাকাৰীক জৰিমনা বিহা হয়।

**বাইট**

উপ-আৰক্ষী আয়ুক্ত শ্ৰীবৰাই কয় যে আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী আয়ুক্তৰ নিৰ্দেশ মৰ্মে যোৱা দুমাহৰ পৰা যানবাহন আইন সন্দৰ্ভত সজাগতা চলাই থকা হৈছে, যাতে পথ দুৰ্ঘটনা ৰোধ কৰিব পাৰি। পথ দুৰ্ঘটনা ৰোধৰ বাবে প্ৰতি মাহে মুখ্য সচিবৰ অধ্যক্ষতাত বৈঠক অনুষ্ঠিত কৰা হৈ আহিছে বুলি শ্ৰীবৰাই উল্লেখ কৰে।

০০০০০০

মহিলাৰ বিৰুদ্ধে যিকোনো হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে প্ৰচলিত আইনী সুৰক্ষা ব্যৱস্থা সম্পৰ্কে ব্যাপক সজাগতা সৃষ্টিৰ লগতে প্ৰশাসনিক সক্ষমতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নগাওঁ জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জিলা মহিলা কোষৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত সভাপতিত্ব কৰি কয় যে মহিলাসকলৰ

বাবে ভালেমান আইনী সুৰক্ষা ব্যৱস্থা আছে যদিও সেই সম্পৰ্কে বেছিভাগ মহিলাই অৱগত নহয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত বৈঠকখনত ঘৰুৱা হিংসা, যৌতুকজনিত নিৰ্যাতন, উৎপীড়নৰ সন্মুখীন হোৱা তথা কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বলি হোৱা মহিলাসকলক জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনৰ পৰা তৎকালীনভাৱে কিদৰে আইনী সাহায্য আগবঢ়াব পৰা যায় সেই সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত সমাজ কল্যান বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত কমলজিৎ শৰ্মা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতীম দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰৌজি তালুকদাৰ প্ৰমুখ্যে সমাজ কল্যান বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত তথা অগ্নি নিৰ্বাপন আৰু জৰুৰীকালীন সেৱা তথা ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীৰ সহযোগত আজি হামৰেনৰ ডনবস্কত অনুশীলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুৰ্যোগৰ বাবে প্ৰস্তুতি, সুৰক্ষা ব্যৱস্থা, জৰুৰীকালীন সহাৰিৰ পদ্ধতি আৰু প্ৰস্তুতিৰ কৌশলৰ বিষয়ে সজাগতা সৃষ্টি কৰাত এই অনুশীলনত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

গুৱাহাটী মহানগৰীৰ ভূতনাথ অঞ্চলৰ কালীপুৰত আজি পথৰ ওপৰত এডাল গছ বাগৰি পৰাৰ ফলত এগৰাকী ছাত্ৰীৰ মৃত্যু হয়। নিহত ছাত্ৰীগৰাকী চৰাইদেউ জিলাৰ সোণাৰীৰ পৰিস্মিতা হাজৰিকা বুলি চিনাক্ত কৰা হৈছে। পৰীক্ষাৰ বাবে ছাত্ৰীগৰাকীয়ে পাণ্ডু মহাবিদ্যালয়লৈ দুচকীয়া বাহনেৰে গৈ থকা অৱস্থাতে এই কৰুণ দুৰ্ঘটনাটো সংঘটিত হয়। সেই  ঘটনাত দুচকীয়া বাহনখনৰ চালক  তথা ছাত্ৰ জ্যোতিময় মহন গুৰুতৰভাৱে আহত হয়। ঘটনাৰ পিছতে ৰে'ল বিভাগ আৰু গুৱাহাটী পৌৰ নিগমৰ কৰ্মীয়ে স্থানীয় লোকৰ সহযোগত দুয়োকে সমীপৰ এখন চিকিৎসালয়লৈ নিয়ে যদিও ছাত্ৰীগৰাকীৰ মৃত্যু হয়।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা টৰণ্টো ষ্টেডিয়ামত গ্ৰুপ বিৰ এখন খেলত সহ আয়োজক দেশ কানাডা বচনিয়া -হাৰ্জেগভিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত অনুষ্ঠিত হ'ব। দুয়োখন দেশ প্ৰথমবাৰৰ বাবে বিশ্বকাপ প্ৰতিযোগিতাত মুখামুখি হ'ব। গ্ৰুপ এ-ৰ খেলত আজি দক্ষিণ কোৰিয়াই চেক-ৰিপাব্লিকক এখন উত্তেজনামূলক খেলত ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে যোৱা নিশা মেক্সিক' মহানগৰীৰ এজটেকা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত মেক্সিক'ৱে দক্ষিণ আফ্ৰিকাক ২-০ গলত পৰাস্ত কৰে। যোৱা নিশা মেক্সিক' মহানগৰীত ফিফা বিশ্বকাপ ২০২৬ প্ৰতিযোগিতাৰ এটা বৃহৎ সমাৰোহেৰে মুকলি কৰা হয়। উদ্বোধনী অনুষ্ঠানত গোলকীয় সংগীত আৰু সংস্কৃতিক প্ৰতিফলিত কৰি চাকিৰা আৰু বাৰ্ণাবয়ে প্ৰতিযোগিতাৰ আনুষ্ঠানিক গীত **দায় দায়** পৰিবেশন কৰে। কাৰ্যসূচীত মেক্সিক'ৰ চহকী সংগীতক প্ৰতিফলিত কৰি আলেজেণ্ডো ফাৰ্ণাণ্ডেজ, লিলা ড'নচ, বেলিণ্ডায়ে মাহজুৰি চলিবলগীয়া এই প্ৰতিযোগিতাৰ মুকলি অনুষ্ঠানত গীত পৰিবেশন কৰে।

০০০০০০

**সমাপ্ত**